Prepp

Practice, Learn and Achieve Your Goal with Prepp

# UGC NET Exam

## Assamese


Simplifying

**Government Exams**

SSC CHSL | IAS EXAM | RRB NTPC | NTSE | CDS

SSC CGL | CBSE UGC NET | IBPS PO | NDA

SBI PO | IBPS CLERK | AFCAT | SSC JE | CTET

CSIR UGC NET | CAPF | IBPS RRB

www.prepp.in

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : ........................................
(To be filled by the Candidate)

Roll No. | | | | | | | |
(In figures as per admission card)

Roll No.________________________________
(In words)

**J 3 6 1 0**

**Test Booklet No.**

Time : $1\,{}^1/_4$ hours]

**PAPER-II**
**ASSAMESE**

[Maximum Marks : **100**

Number of Pages in this Booklet : **12**

Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered in the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.
   **Example :** (A) (B) ● (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **Answer Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet and OMR Answer sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या OMR पत्रक पर अंकित करें और OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** (A) (B) ● (D)
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये उत्तर-पत्रक पर ही** अंकित करने हैं । यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं OMR उत्तर-पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें ।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।**



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

# ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় **(50) (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক **(2) দুই** । উত্তৰ-পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰা । **সকলো** প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ ১ৰ পৰা ২০ লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ।

**1.** 'অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জী' পুথিখনৰ ৰচয়িতাৰ নাম :

(A) ডিম্বেশ্বৰ নেওগ

(B) দেৱেন্দ্ৰনাথ বেজবৰুৱা

(C) দেৱানন্দ ভৰালী

(D) সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

**2.** কবিৰাজ কন্দলিয়ে আমাকেসে বুলিৰয় কৰিলোহো সৰ্বজন-বোধে ........

ইয়াত উল্লেখকৰা কবিৰাজ কন্দলিৰ অন্য নাম :

(A) অনন্ত কন্দলি (B) ৰুদ্ৰ কন্দলি

(C) মাধৱ কন্দলি (D) শ্ৰীধৰ কন্দলি

**3.** মধ্যকালীন অসমীয়া লিপিৰ প্ৰথম নিদৰ্শন দেখা পোৱা শিলালিপিখনৰ নাম :

(A) উমাচল লিপি

(B) নগাজৰী খনিকৰ গাঁৱৰ লিপি

(C) কানাই বৰশীবোৱা লিপি

(D) গছতল শিলালিপি

**4.** তলত নাম দিয়া কোনটো গীত বেলাড বা কাহিনীগীতৰ শ্ৰেণীত নপৰে :

(A) বৰফুকনৰ গীত

(B) মনিকোঁৱৰ-ফুলকোঁৱৰৰ গীত

(C) জনা গাভৰুৰ গীত

(D) হাইদাং গীত

**5.** তলৰ চাৰিখন পুথিৰ কোনখনিৰ ৰচয়িতা কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত-ভট্টাচাৰ্য ?

(A) ভক্তি-ৰত্নাকৰ

(B) ভক্তি-ৰত্নাৱলী

(C) শ্ৰীমদ্ভক্তিবিৱেক

(D) ভক্তি-প্ৰদীপ

**6.** ছয় আখৰীয়া কুসুমমালা ছন্দত ৰচিত শঙ্কৰদেৱৰ পুথিখনৰ নাম :

(A) অমৃত মথন (B) গুণমালা

(C) কীৰ্ত্তন (D) তানাদিপাতন



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

7. সুধৰ্মাৰ সভাৰ বিবৰণ মাধৱদেৱ বিৰচিত কোমখন পুথিত পোৱা যায় ?

(A) নামঘোষা (B) নামমালিকা

(C) ৰাজসূয় (D) জন্মৰহস্য

8. তলত নামদিয়া চাৰিখন পুথিৰ মাজৰ কোনখন পুথি ৰামসৰস্বতীৰ বধ-কাব্য শ্ৰেণীৰ মাজত পৰে ?

(A) শঙ্খচূড় বধ

(B) বৃত্ৰাসুৰ-বধ

(C) কূৰ্মাৱলী বধ

(D) কালকুঞ্জ শোষক বধ

9. তলত নামদিয়া পুথিকেই খনৰ মাজৰ কোনখন পুথিৰ ৰচয়িতা সুকবি নাৰায়ণদেৱ ?

(A) পদ্মপুৰাণ (B) পদ্মাপুৰাণ

(C) পদ্মাৱতী (D) পদ্মাৱতী হৰণ

10. তলত নামদিয়া ব্যক্তিসকলৰ ভিতৰত কোনজন 'অৰুণোদই' কাকতৰ সম্পাদক নাছিল ?

(A) ডক্টৰ নেথান ব্ৰাউন

(B) এ. এইচ. ডেনফোৰ্থ

(C) এ. কে. গার্নী

(D) ওলিভাৰ তমাছ কট্টাৰ

11. কোন জনগোষ্ঠীৰ মাজত নৰাছিগা বিহু পালনৰ প্ৰথা আছে ?

(A) মিচিং (B) বড়ো

(C) লালুং (D) ৰাভা

12. তলৰ কোনটো নাম অলঙ্কাৰৰ নহয় :

(A) পোৱাল মণি (B) শিলিখা মণি

(C) বৰত মণি (D) ফুটি-মণি

13. বাইখু-উৎসৱ কোন জনগোষ্ঠীয়ে পালন কৰে ?

(A) কাৰ্বি (B) ডিমাছা

(C) ৰাভা (D) বড়ো

14. তলত দিয়া চাৰিটা শব্দৰ মাজৰ এটা শব্দই তাঁতশালৰ এবিধ সঁজুলিকো বুজায় । সেই শব্দ কোনটো ?

(A) নাচনী (B) ৰান্ধনী

(C) শিপিনী (D) দাৱনী

15. তলৰ কোনটি সাংস্কৃতিক উৎসৱ উৰ্বৰা-বিশ্বাসৰ লগত পোনপটীয়াকৈ জড়িত নহয় :

(A) হুদুমদেও পূজা

(B) আলি - আই - লৃগাং

(C) মনসা পূজা

(D) লখিমী - সবাহ



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

16. তলৰ কোনখন সম্পাদিত গ্ৰন্থ ?

(A) অসমৰ সংস্কৃতি

(B) অসমৰ লোক সংস্কৃতি

(C) অসমীয়া লোক সংস্কৃতিৰ আভাস

(D) অসমীয়া সংস্কৃতি – সমীক্ষা

17. তলৰ কোনটি অসমীয়া তিৰোতাৰ কেশবিন্যাসৰ প্ৰকাৰ নহয় :

(A) ঘিলাচকলীয়া

(B) নেঘেৰী

(C) সৰুদৈয়া

(D) কলডিলীয়া

18. তলৰ কোনটো উৎসৱ অসমৰ চাহ বনুৱাসকলৰ মাজত প্ৰচলিত উৎসৱ নহয় ?

(A) টুচুপূজা

(B) কৰম পূজা

(C) খেত পূজা

(D) কাতি পূজা

19. তলৰ কোনটো সাত বিহুৰ ভিতৰত নপৰে ?

(A) গৰু বিহু (B) চেনেহী বিহু

(C) জেং বিহু (D) ছেৰা বিহু

20. তলৰ বৈষ্ণৱ ভক্তসকলৰ মাজৰ কোনজন মূলত: ইছলামধৰ্মী লোক আছিল ?

(A) গোবিন্দ (B) জন্তিৰ মধাই

(C) নৰোত্তম (D) চান্দসাই

তলৰ 21-অৰ পৰা 30-অলৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

21. অসমীয়া ভাষাত ধ্বনিৰ দৈৰ্ঘ এটা বিশিষ্ট প্ৰয়োগ নহয় । ইয়াৰ মানে -

(A) অসমীয়া ভাষাত দীৰ্ঘ আৰু হ্ৰস্ব স্বৰৰ ব্যৱহাৰ নাই ।

(B) এটা ধ্বনিৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণভেদে শব্দৰ অৰ্থৰ তাৰতম্য নঘটে ।

(C) এটা ধ্বনিৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণভেদে শব্দৰ অৰ্থৰ তাৰতম্য ঘটে ।

(D) অসমীয়া ভাষাত ধ্বনিৰ দৈৰ্ঘ সূচক চিহ্ন নাই ।

22. “তেওঁ আছিল বজ্ৰৰ দৰে কঠিন, অথচ কুসুমৰ দৰে কোমল, কাঁড়ৰ দৰে পোন আৰু তৰুৰ দৰে সহিষ্ণু ।”

এইটো কোনবিধ অলঙ্কাৰৰ উদাহৰণ ?

(A) সমানোপমা

(B) মালোপমা

(C) পূৰ্ণোপমা

(D) লুপ্তোপমা



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

23. 'হেন শুনি জাম্বৱন্ত ।
ধাইলা মহা বলৱন্ত ।।
নিচিনি স্বামীক পাছে ।
ধৰিলন্ত যুদ্ধ কাছে ।।'
উদ্ধৃত কাব্যাংশ কোন প্ৰকাৰ ছন্দৰ উদাহৰণ ?
(A) কুসুমমালা (B) একাৱলী
(C) লেছাৰি (D) ঝুমুৰী

24. 'ব্যক্তিসত্তাৰ প্ৰাধান্য, প্ৰকৃতি-প্ৰীতি, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাব, বাস্তবমুখিতা, অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু ভবিষ্যতৰ ৰঙিন কল্পনা' – এইবোৰ লক্ষণ কোনবিধ সাহিত্য-আন্দোলনৰ ক্ষেত্ৰত প্ৰযোজ্য ?
(A) নব্য-নবন্যাস (B) নবন্যাস
(C) আধুনিক (D) উত্তৰ আধুনিক

25. 'সচেতনভাৱে অনুভৱ নকৰিলেও প্ৰতিজন মানুহেই একোজন অনুৱাদক ।' এই কথাষাৰৰ পৰা বুজিব পাৰি যে :
(A) প্ৰতিজন মানুহৰে এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰাৰ যোগ্যতা আছে ।
(B) মানুহে নিজৰ অভিজ্ঞতাক অনুভৱলৈ আৰু অনুভূতিবোৰক কথা আৰু ভঙ্গীলৈ ৰূপান্তৰ কৰে ।
(C) অনুবাদ মানুহৰ জন্মগত প্ৰবৃত্তি ।
(D) আক্ষৰিক অনুবাদেইহে প্ৰকৃত অনুবাদ

তলৰ 26-অৰ পৰা 30-অলৈ দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰত A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে । উত্তৰ পত্ৰত এই চাৰিটা বিকল্পৰ মাজৰ পৰা একোটা শুদ্ধ জোঁট (Combination) বাছি চিহ্নিত কৰা ।

26. বাঁহীৰ সম্পাদনাৰে সৈতে জড়িত ব্যক্তিকেইজন হ'ল -
(I) লক্ষ্মীনাথ বেজবৰুৱা
(II) ডিম্বেশ্বৰ নেওগ
(III) অমিয়কুমাৰ দাস
(IV) ডা. দীননাথ শৰ্মা
(A) I আৰু II (B) II আৰু III
(C) I আৰু III (D) III আৰু IV

27. আহোম যুগত ৰচিত বিদেশী বুৰঞ্জী কেইখন হ'ল :
(I) ত্ৰিপুৰা বুৰঞ্জী
(II) কছাৰী বুৰঞ্জী
(III) জয়ন্তীয়া বুৰঞ্জী
(IV) পাদশ্যাহ বুৰঞ্জী
(A) I আৰু II (B) II আৰু III
(C) III আৰু IV (D) I আৰু IV

28. ড. গোলোকচন্দ্ৰ গোস্বামী ৰচিত গ্ৰন্থৰ থুল :
(I) অসমীয়া আখৰ জোঁটনি
(II) অসমীয়া ভাষাৰ মৌলিক বিচাৰ
(III) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ
(IV) অসমীয়া ভাষাৰ ৰূপকথা
(A) I আৰু IV (B) II আৰু III
(C) I আৰু III (D) III আৰু IV



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**29.** অসম উপত্যকা সাহিত্য কটা লাভ কৰোঁতা লেখককেইজন হ'ল :

(I) নগেন শইকীয়া

(II) নিৰ্মলপ্ৰভা বৰদলৈ

(III) মেদিনী চৌধুৰী

(IV) শীলভদ্ৰ

(A) I আৰু IV (B) II আৰু IV

(C) III আৰু IV (D) II আৰু III

**30.** একাধাৰে কবিতা আৰু নাটক ৰচনাত সিদ্ধহস্ত লেখক :

(I) অতুলচন্দ্ৰ হাজৰিকা

(II) গণেশ গগৈ

(III) বিনন্দ চন্দ্ৰ বৰুৱা

(IV) দেৱ কান্ত বৰুৱা

(A) I আৰু II (B) II আৰু III

(C) III আৰু IV (D) I আৰু IV

31-অৰ পৰা 45-অলৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই A, B, C, D এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**31.**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ইংৰাজী | (i) ইটালীয় |
| (b) সিন্ধী | (ii) ঈৰানীয় |
| (c) পাৰছী | (iii) ভাৰতীয় আৰ্য |
| (d) ফৰাচী | (iv) জাৰ্মানীয় |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iv) | (iii) | (i) | (ii) |
| (B) | (iv) | (iii) | (ii) | (i) |
| (C) | (i) | (ii) | (iv) | (iii) |
| (D) | (ii) | (iii) | (i) | (iv) |

**32.**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) জুইকুৰা | (i) কৰ্তা কাৰক |
| (b) পাৰই | (ii) নিৰ্দিষ্টতাৱাচকতা |
| (c) জীয়েৰা | (iii) অনিৰ্দিষ্টতাৱাচকতা |
| (d) এখনমান | (iv) পুৰুষৱাচক - নিৰ্দিষ্টতাৱাচকতা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iv) | (ii) | (iii) |
| (B) | (ii) | (iii) | (iv) | (ii) |
| (C) | (ii) | (i) | (iv) | (iii) |
| (D) | (i) | (ii) | (iii) | (iv) |

**33.**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ঘৰ ঘৰ | (i) তদ্ধিত প্ৰত্যয় |
| (b) তা-কাল | (ii) ধ্বন্যাত্মক শব্দ |
| (c) বুধি + অক | (iii) কৃৎপ্ৰত্যয় |
| (d) ৰো + অতি | (iv) উপসৰ্গ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (i) | (iii) |
| (B) | (i) | (ii) | (iv) | (iii) |
| (C) | (ii) | (iii) | (i) | (iv) |
| (D) | (iv) | (iii) | (ii) | (i) |

**34.**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) Structure of Assamese | (i) সত্যেন্দ্ৰনাৰায়ণ গোস্বামী |
| (b) Studies in Sino Tibetan Langauages | (ii) গোলোকচন্দ্ৰ গোস্বামী |
| (c) Assamese : Its Formation and Development | (iii) বাণীকান্ত কাকতি |
| (d) A Study on Kammpi : A Dialect of Assamese | (iv) উপেন্দ্ৰনাথ গোস্বামী |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (i) | (iii) | (iv) |
| (B) | (iv) | (iii) | (i) | (ii) |
| (C) | (i) | (ii) | (iii) | (iv) |
| (D) | (ii) | (i) | (iii) | (iv) |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

35. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) A blant | (i) অপিনিহিতি |
| (b) Assimilation | (ii) অপশ্রুতি |
| (c) Epenthesis | (iii) মূর্ধন্যীভৱন |
| (d) Cerebralisation | (iv) সমীভৱন |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (iii) | (i) |
| (B) | (i) | (iv) | (ii) | (iii) |
| (C) | (iii) | (iv) | (i) | (ii) |
| (D) | (ii) | (iv) | (i) | (ii) |

36. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) বহাগী | (i) গনেশচন্দ্ৰ হাজৰিকা |
| (b) বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ | (ii) প্ৰফুল্লদত্ত গোস্বামী |
| (c) বিহুগীত আৰু বনঘোষা | (iii) নকুল চন্দ্ৰ ভূঞা |
| (d) বাৰমাহৰ তেৰগীত | (iv) লীলা গগৈ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (ii) | (iv) | (i) |
| (B) | (iii) | (i) | (iv) | (ii) |
| (C) | (i) | (iii) | (iv) | (ii) |
| (D) | (iv) | (i) | (iii) | (ii) |

37. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ঘনশ্যাম খাৰঘৰীয়া ফুকন | (i) পদ্মা পুৰাণ |
| (b) পৰশুৰাম দ্বিজ | (ii) কল্কি পুৰাণ |
| (c) ৰতিকান্ত দ্বিজ | (iii) ধৰ্ম পুৰাণ |
| (d) নাৰায়ণ দেৱ | (iv) ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (iii) | (i) |
| (B) | (i) | (ii) | (iii) | (iv) |
| (C) | (iii) | (i) | (ii) | (iv) |
| (D) | (ii) | (iii) | (iv) | (i) |

38. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ১৮২৯ | (i) ভোলানাথ দাস |
| (b) ১৮৩৬ | (ii) আনন্দৰাম ঢেকিয়াল ফুকন |
| (c) ১৮৩৭ | (iii) হেমচন্দ্ৰ বৰুৱা |
| (d) ১৮৫৮ | (iv) গুনাভিৰাম বৰুৱা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iii) | (ii) | (iv) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iv) | (iii) | (ii) | (i) |
| (D) | (iii) | (iv) | (i) | (ii) |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**39.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| (a) বনকোঁৱৰ | (i) গজেন বৰুৱা |
| (b) ভাঙনিকোঁৱৰ | (ii) পৰাগধৰ চলিহা |
| (c) শোনিত কোঁৱৰ | (iii) আনন্দিৰাম দাস |
| (d) সেইজ কোঁৱৰ | (iv) আনন্দ চন্দ্ৰ আগৰৱালা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (i) | (ii) | (iv) |
| (B) | (iv) | (iii) | (i) | (ii) |
| (C) | (iii) | (iv) | (ii) | (i) |
| (D) | (ii) | (iv) | (iii) | (i) |

**40.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| (a) ল’ৰা বন্ধু | (i) ১৯১৯ |
| (b) অসমীয়া | (ii) ১৮৯০ |
| (c) চেতনা | (iii) ১৮৮৮ |
| (d) বিজুলী | (iv) ১৯১৮ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (i) | (ii) |
| (B) | (i) | (ii) | (iii) | (iv) |
| (C) | (ii) | (iii) | (i) | (iv) |
| (D) | (iv) | (iii) | (ii) | (i) |

**41.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| (a) মন্‌পা | (i) অসম |
| (b) ৰেংমা | (ii) মেঘালয় |
| (c) জয়ন্তীয়া | (iii) নাগালেণ্ড |
| (d) তিৱা | (iv) অৰুণাচল প্ৰদেশ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iii) | (iv) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iv) | (iii) | (ii) | (i) |
| (D) | (i) | (iv) | (ii) | (iii) |

**42.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| (a) চন্দ্ৰহাৰ | (i) বাহু |
| (b) নেপুৰ | (ii) কপাল |
| (c) বাজু | (iii) ভৰি |
| (d) চিটিপাটি | (iv) কঁকাল |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iv) | (iii) | (i) | (ii) |
| (B) | (iv) | (i) | (iii) | (ii) |
| (C) | (ii) | (iii) | (iv) | (i) |
| (D) | (i) | (ii) | (iii) | (iv) |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**43.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

(a) ‘জনপূৰ্ণ নিৰ্জনত অকলসৰীয়া’ (i) যমক

(b) ‘মৰণ য়াঁচোৰানী তোমাৰ চৰণ কমল চুমি’ (ii) উৎপ্ৰেক্ষা

(c) ‘তেওঁৰ মুখখনি যেনিবা পদুম’ (iii) বিৰোধ

(d) ‘অশ্ৰুৰ নিজৰা সহবেদনাৰ অমৃত অমৃত দলিতা ধৰাৰ’ (iv) ছেকানুপ্ৰাস

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iv) | (iii) | (ii) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iii) | (iv) | (ii) | (i) |
| (D) | (iv) | (iii) | (ii) | (i) |

**44.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

(a) মে-ডাম মে-ফি (i) কাৰ্বি

(b) চমাংকান (ii) মিচিং

(c) প:ৰাগ (iii) আহোম

(d) ফাৰকান্তি (iv) ৰাভা

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (i) | (ii) | (iv) |
| (B) | (i) | (ii) | (iv) | (iii) |
| (C) | (ii) | (iv) | (i) | (iii) |
| (D) | (iii) | (ii) | (i) | (iv) |

**45.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

(a) হাইদাং গীত (i) গোৱাল পৰীয়া

(b) কুশান গান (ii) মিচিং

(c) ঐনিতম (iii) গাৰো

(d) লেৰাটানা নৃত্য (iv) সোনোৱাল কছাৰী

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iv) | (iii) | (ii) |
| (B) | (iv) | (i) | (ii) | (iii) |
| (C) | (ii) | (i) | (iii) | (iv) |
| (D) | (iv) | (iii) | (ii) | (i) |

তলত লিখা কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া 46-অৰ 50-অলৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ A, B, C আৰু D ৰ মাজৰ পৰা বাছি উলিওৱা ।

জীৱনৰ বিশেষ মূল্যবোধ যুগে যুগে সলনি হৈ থাকে আৰু লগে লগে কবিতাৰো গতি পৰিবৰ্তন হয় । তাৰ উপৰিও একেটা যুগৰ ভিতৰতে সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মূল্যাবোধ ভিন্ ভিন্ হয় আৰু কবিতাৰ ভিতৰত সেইবোৰৰ প্ৰকাশ হলে তাৰো শ্ৰেণীভেদ্ হয় ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

প্ৰশ্ন হৈছে, জীৱনৰ মূল্যবোধ আহে ক'ৰপৰা ? পশু-জীৱনতো অভিজ্ঞতা আছে, জৈবিক দাবীও আছে; কিন্তু মূল্যবোধ নাই । মানুহৰ জীৱনত মূল্যবোধ আছে, কাৰণ জীয়াই থকাৰ যি সৰ্ব-প্ৰথম জৈৱিক দাবী সেইটো পূৰণ কৰিবলৈ মানুহে প্ৰকৃতিৰ লগত সচেতনভাৱে যুদ্ধ কৰি প্ৰকৃতিৰ নানা পৰিবৰ্তন সাধন কৰি জীয়াই থকাৰ উপযোগী কৰি লব লগা হয় ; তাৰ বাবে ব্যক্তিগত ভাৱে সংগ্ৰাম কৰিলেই নহয় ; সামাজিকভাৱে ঐক্যবদ্ধ হৈ এটি লক্ষ্য সন্মুখত ৰাখি সামূহিক অভিজ্ঞতাৰ সমন্বয় কৰি (জ্ঞান-বিজ্ঞানাদি) প্ৰকৃতিৰ ৰূপান্তৰ ঘটাব লগা হয় । যি কাজে, যি অভিজ্ঞতাই তাত সহায় কৰে সেইটোক মানুহে মূল্য দিয়ে, আৰু যি প্ৰবৃত্তি, কাজ বা অভিজ্ঞতাই তাত বাধা দিয়ে সেইটোক বেয়া পায় । এই দৰেই মানৱ হৃদয়ৰ অভিজ্ঞতাৰ মূল্যাঙ্কন হয় । ব্যাপক সমাজ-জীৱনৰ অভিজ্ঞতাৰপৰাহে আৰু বৃহত্তৰ সামাজিক অনুভুতিৰপৰাহে জীৱনৰ আৰু জগতৰ মূল মূল্যবোধৰ জন্ম হয় । অৱশ্যে জীয়াই থকাৰ স্বাৰ্থৰ দ্বাৰাহে এই মূল্যাবাধ অনুপ্ৰাণিত, কিন্তু সেই স্বাৰ্থ সামুহিক স্বাৰ্থ, ব্যক্তিগত স্বাৰ্থৰপৰা প্ৰবৃত্তিৰ খামখেয়ালী নহয় । গতিকে সামাজিক অনুভূতিবিহীন একান্তভাৱে ব্যক্তিকেন্দ্ৰিক স্বাৰ্থপৰ মানুহ কেতিয়াও কবি হব নোৱাৰে ।

প্ৰকৃতিৰ লগত মানুহৰ সংগ্ৰামৰ ক্ষেত্ৰত নানা জয়-পৰাজয়, উত্থান-পতন আছে আৰু কৰিতাত স্বাভাৱিকতে তাৰ প্ৰকাশ হয় । সেই সংগ্ৰাম কৰিবলৈ মানুহৰ বুকুত প্ৰেৰণা আছে আৰু জীৱনৰ তাগিদত সেই প্ৰেৰণা মানুহে নানা ভাৱে জগাই তুলিবৰ প্ৰয়াস কৰে-ইয়াৰ ফলত উদ্ভৱ হয় সৃষ্টি-ধৰ্মী প্ৰাণময়ী সুকুমাৰ কলাৰ । আকৌ কেতিয়াবা সংগ্ৰামৰ বিভিষীকা দেখি, মানুহৰ শক্তিৰ ৰুদ্ৰতা দেখি মানুহ ভীত হয়, নিৰাশ হয়, জিৰণি বিচাৰে, অতীতলৈ ফিৰি যাব বিচাৰে আৰু তাৰ ফলত সৃষ্টি হয় নিৰাশাবাদী, পলায়নবাদী, প্ৰাণহীন কবিতা আৰু কলা ; আকৌ কেতিয়াবা সেই সংগ্ৰামত অতিষ্ঠ হৈ সংগ্ৰামবিহীন চিৰসুখ চিৰশান্তিময় কোনো কল্পলোকৰ কল্পনা কৰে আৰু তাৰ ফলত সৃষ্টি হয় ভাব-বিলাসী কল্পনাবিলাসী অবাস্তৱ কবিতা আৰু কলা ।

**46.** যুগে যুগে মানুহৰ জীৱনৰ মূল্যবোধ পৰিৱৰ্তিত হৈ থাকে । তাৰ ফলত :

(A) সাহিত্যৰ গতিধাৰাৰ কোনো সালসলনি নহয় ।

(B) সাহিত্যৰ গতি-প্ৰকৃতি সলনি হয় ।

(C) সাহিত্যক মানুহে অনাদৰ কৰিবলৈ লয় ।

(D) সাহিত্যৰ সলনি অন্য মাধ্যমত সৃষ্টিশীলতা জীয়াই থাকে ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**47.** জীৱনৰ মূল্যবোধ তাহে ক'ৰ পৰা ?

(A) মানুহৰ জীৱনৰ জৈবিক দাবী পূৰণৰ পৰা ।

(B) মানুহৰ ব্যক্তিগত সংগ্ৰামৰ পৰা ।

(C) জীয়াই থাকিবৰ বাবে দলবদ্ধভাবে প্ৰকৃতিৰ লগত সংগ্ৰাম কৰি লাভ কৰা আভিজ্ঞতা আৰু বৃহত্তৰ সামাজিক অনুভূতিৰ সমন্বয়ত ।

(D) জীৱনৰ প্ৰতি পদে পদে লাভ কৰা আভিজ্ঞতা আৰু সমাজত লাভ কৰা স্থানৰ ভিত্তিত ।

**48.** সৃষ্টিধৰ্মী প্ৰাণময়ী সুকুমাৰ কলাৰ উদ্ভৱ কেনেদৰে হয় ?

(A) মানুহৰ স্বাভাৱিক সৃষ্টিধৰ্মী প্ৰবৃত্তিৰ কাৰণেই প্ৰাণময়ী সুকুমাৰ কলাৰ উদ্ভৱ ।

(B) মানুহৰ জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত সৃষ্টিশীল মনে সুকুমাৰ কলাৰ জন্ম দিয়ে ।

(C) প্ৰকৃতিৰ লগত মানুহে সংগ্ৰাম কৰিবলৈ প্ৰেৰণা জগাই তুলিবলৈ কৰা প্ৰয়াসৰ ফলতেই প্ৰাণময়ী সৃষ্টিধৰ্মী সুকুমাৰ কলাৰ উদ্ভৱ ।

(D) মানুহৰ মনক আনন্দ দিয়াৰ প্ৰয়াসৰ ফল হিচাপে প্ৰাণময়ী সুকুমাৰ কলাৰ উদ্ভৱ হয় ।

**49.** ভাববিলাসী কল্পনাবিলাসী অবাস্তৱ কৱিতা আৰু কলাৰ সৃষ্টি কিয় হয় ?

(A) মানুহৰ জীৱন সংগ্ৰামৰ তীব্ৰতা দেখি তাৰ পৰা পলায়ন কৰিবৰ ইচ্ছা জাগে ; সেই ইচ্ছাৰ বাবে মানুহে এখন চিৰশক্তিময় কল্পলোকৰ কল্পনা কৰে ; ইয়াৰ ফলতেই অবাস্তৱ কৱিতা আৰু কলাৰ সৃষ্টি ।

(B) অবাস্তৱ কৱিতা আৰু কলা সস্তীয়া অথচ ৰঙচঙীয়া । সেয়েহে মানুহে সস্তীয়া জনপ্ৰিয়তাৰ খাতিৰতে তনে কবিতা আৰু কলাৰ জন্ম দিয়ে ।

(C) মানুহে সংগ্ৰামৰ বিভিষীকা দেখি, শক্তিৰ ৰুদ্ৰতা দেখি ভয়ত সন্ত্ৰস্ত হৈ উঠে । এই ভয়ৰ পৰা ৰক্ষা পাবলৈ কল্পনাবিলাসী অবাস্তৱ কবিতাৰ সৃষ্টি কৰা হয় ।

(D) মানুহৰ কল্পজগতত সৃষ্টি হোৱা বস্তু মাত্ৰেই ভাববিলাসী আৰু অবাস্তৱ ।

**50.** উল্লিখিত অনুচ্ছেদটোত লেখকে বিবৃত কৰা মূল বিষয়টি হ'ল :

(A) মূল্যবোধৰ সংজ্ঞা নিৰ্ণয় ।

(B) কবিতাৰ সংজ্ঞা নিৰ্ণয় ।

(C) কবিতাৰ গতি-প্ৰকৃতি সলনি হোৱাৰ কাৰণ নিৰ্ণয় ।

(D) প্ৰকৃতিৰ লগত মানুহৰ সংগ্ৰামৰ কাৰণ নিৰ্ণয় ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

prepp

# Latest Sarkari jobs, Govt Exam alerts, Results and Vacancies

- Latest News and Notification
- Exam Paper Analysis
- Topic-wise weightage
- Previous Year Papers with Answer Key
- Preparation Strategy & Subject-wise Books

To know more **Click Here**

www.prepp.in